# লক্ষণৌত নৰেন্দ মোদী

দিনাংক- ২ মাৰ্চ ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

আজি নৰেন্দ্ৰ মোদীয়ে লক্ষনৌ ৰেলিত অভূতপূৰ্ৰ সহাৰি পাইছে । দিল্লীলৈ যোৱা পথ উত্তৰপ্ৰদেশ হৈ যায় । দেশৰ ভিতৰত এইয়াই বৃহৎ ৰাজ্য যি লোকসভালৈ ৮০ জন সদস্যক পঠিয়ায় । ১৯৯০ চনত উত্তৰপ্ৰেদেশত ভাল ফলাফলৰ বাবে ভাৰতীয় জনতা পাৰ্টি শাসনত আহিছিল । ১৯৯১ চনৰ সাধৰণ নিৰ্বাচনত ৮৫ টা আসনৰ ভিতৰত বিজেপি য়ে ৫২ টা আসন লাভ কৰিছিল । ১৯৯৬ চনত ৫৮( +২সহযোগী দ'ল) আৰু ১৯৯৮ চনত ৫০ টা আসন লাভ কৰিছিল । তাৰ পাছৰ পৰা বিজেপি ৰ শক্তি হ্ৰাস পাই আছে । ১৯৯৯ ৰ লোকসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে মাত্ৰ ২৯ টা আসনহে লাভ কৰে । ২০০৪ আৰু ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনত বহু কষ্ট কৰি কেৱল ১০ টা আসন লাভ কৰাত সক্ষম হয় । ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ যদি দিল্লীত গঠন হয়, তেন্তে ১৯৯০ চনৰ আগৰ দ্বৰে বিজেপি এ আসন লাভ কৰিব লাগিব । এইয়া সম্ভৱ হব'নে ?

উত্তৰপ্ৰেদেশ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি, সমাজবাদী পাৰ্টি আৰু বহুজন সমাজবাদী পাৰ্টিৰ মাজত মুখ্য যুজঁ হ'ব । আশ্চৰ্য্যজনকভাৱে ২০০৯ চনত কংগ্ৰেছ দ'লে কেৱল ২২ টা আসন লাভ কৰে । বৰ্ত্তমানৰ ইংগিতৰ মতে আসনৰ সংখ্যা এইবাৰ আৰু কমিব । আম আদমী পাৰ্টিয়ে সংবাদ সৃষ্টি কৰা আৰু জনসাধাৰণক আকৃষ্ট কৰাত সক্ষম হৈছে । উত্তৰপ্ৰদেশত এই দ'লৰ প্ৰভাৱ বেছি নাথাকিব ।

উত্তৰপ্ৰদেশত বহুজন সমাজপাৰ্টি আৰু সমাজবাদী পাৰ্টিয়ে কৰা শাসনৰ ওপৰত বহুতো প্ৰশ্ন উত্থাপন হৈছে । সমাজবাদী পাৰ্টিৰ শাসন কালটো আৰু অধিক ভয়ানক । তেওঁলোকৰ শাসনকালৰ আইন শৃংখলাৰ ব্যৱস্থা যথেষ্ট ভাঙি পৰিছে । সাম্প্ৰদায়িক হিংসা আৰু জাতীয় হিংসা বৃদ্ধি পাইছে । উত্তৰপ্ৰদেশত বহুতো সাম্প্ৰদায়িক হিংসা হোৱা দেখা গৈছে । বহুজন সমাজ পাৰ্টিৰ শাসনকালো ভাল নাছিল । তেওঁলোক সেচ্ছাচাৰীৰ দ্বৰে শাসন কৰিছিল । এই দুই দ'লে ১০ বছৰ ধৰি ইউ পি এ চৰকাৰক শাসনত ৰখাত সহায় কৰিছে । ইউ পি এ ক তেওঁলোকে দ'লীয় নেতাৰ বিৰুদ্ধে থকা গুচৰৰ অনুসন্ধান কৰা চি বি আই ৰ পৰা বাচিবলৈহে সহযোগ কৰিছে ।

উত্তৰপ্ৰদেশৰ জনসাধাৰণৰ মোড সলনি হোৱা দেখা পোৱা গৈছে । জাতি বিভাজনৰ ৰাজনীতি এতিয়া নাই । এনে সামাজিক পক্ষ বিভাজনৰ প্ৰভাৱ যদিও কম হৈছে সম্পূৰ্ণ ৰূপত শেষ হোৱা নাই । নৰেন্দ্ৰ মোদীয়ে সম্বোধন কৰা আঠোখন সভাই জনসাধাৰণৰ বিপুল সহাৰি পাইছে । আজিৰ উত্তৰপ্ৰদেশৰ মূল বিষয় হৈছে ভাল শাসন । উত্তৰপ্ৰদেশত প্ৰেৰণামূলক ৰাজনীতি দেখা পোৱা গৈছে । উত্তৰপ্ৰদেশত চলি থকা ৰাজনীতি সম্পূৰ্ণভাৱে সলনি হৈ গৈছে । শ্ৰীযুত নৰেন্দ্ৰ মোদীয়ে ভাষণ সমাপ্তিৰ সময়ত প্ৰচন জোচীৰ কবিতাৰ আবৃত্তি কৰে, যিয়ে মোক ১৯৭৭ ৰ সাধাৰণ নিৰ্বাচনত সভাপতিসকলে দীনকৰজীৰ প্ৰতিষ্ঠিত পংখীয়া ‘ সিংহাচন খালী ক’ৰ’, জনতা আতি হে’ লৈ মনত পেলাই দিছে ।